# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 26-01-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। সমগ্ৰ দেশে আজি ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে নতুন দিল্লীৰ কৰ্তব্যপথৰ পৰা গণৰাজ্য দিৱস উদযাপনত ৰাষ্ট্ৰক নেতৃত্ব দিব।

২। দেশৰ অৰ্থনৈতিক ভৱিষ্যৎ নিৰ্ণয় কৰাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা আৰু স্বদেশী সামগ্ৰী পথ প্ৰদৰ্শক নীতি বুলি গণৰাজ্য দিৱসৰ প্ৰাক সন্ধিয়া ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে ১৩১ গৰাকী ব্যক্তিলৈ ২০২৬ বৰ্ষৰ পদ্ম বঁটা আগবঢ়াইছে।

৪। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে কালি সশস্ত্ৰ সেনাবাহিনীৰ ৭০ জন জোৱানলৈ সাহসিকতাৰ বঁটা ঘোষণা কৰে।*আৰু*

৫। গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ যোৱা নিশা অনুষ্ঠিত  তৃতীয়খন খেলত ভাৰতে ৮ উইকেটত জয়লাভ কৰে।

০০০০০

০০০০০

দেশৰ অৰ্থনৈতিক ভৱিষ্যৎ নিৰ্ণয় কৰাৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা আৰু স্বদেশী সামগ্ৰী পথ প্ৰদৰ্শক নীতি বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে প্ৰকাশ কৰিছে। তেওঁ গোলকীয় পৰ্যায়ত নিজৰ স্থিতি সৱল কৰা তথা দেশক উদ্ভাসিত কৰা যুৱ উদ্যমী, ক্ৰীড়াবিদ, বিজ্ঞানী আৰু পেচাদাৰী ব্যক্তিসকলৰ প্ৰশংসা কৰে। ৭৭ সংখ্যক গণৰাজ্য দিৱসৰ প্ৰাকসন্ধিয়া কালি দেশবাসীক উদ্দেশ্যি দিয়া ভাষণত ৰাষ্ট্ৰপতিগৰাকীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীমতী মুৰ্মুৰে ভাৰতক বিশ্বৰ সৰ্বাধিক যুৱ জনসংখ্যা থকা দেশ হিচাপে উল্লেখ কৰি কয়, যে দেশৰ যুৱ প্ৰজন্মৰ ভালেমান প্ৰতিভা আছে। তেওঁ আত্মসংস্থাপনেৰে দেশৰ যুৱ প্ৰজন্মই উল্লেখনীয় সফলতা অৰ্জন কৰিছে বুলি উল্লেখ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে গোলকীয় অনিশ্চয়তাৰ সত্বেও ভাৰতৰ অৰ্থনৈতিক বিকাশ অব্যাহত আছে। তেওঁ ভাৰতক বিশ্বৰ দ্ৰুত বিকশিত অৰ্থনীতি বুলি অভিহিত কৰি কয়, যে অনাগত ভৱিষ্যতত ভাৰত বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে লক্ষ্য প্ৰাপ্তিৰ দিশত আগবাঢ়িছে। সামগ্ৰী আৰু সেৱা কৰ হ্ৰাস কৰাৰ ক্ষেত্ৰত চৰকাৰৰ সিদ্ধান্তৰ সন্দৰ্ভত আলোকপাত কৰি শ্ৰীমতী মুৰ্মুৰে এই পদক্ষেপে ভাৰতৰ অৰ্থনীতি সুদৃঢ় কৰিব বুলি মন্তব্য কৰে। তেওঁ লগতে চৰকাৰে অলপতে কৰা শ্ৰম সংহিতাৰ সংস্কাৰৰ জৰিয়তে শ্ৰমিকসকল উপকৃত হ'ব বুলি উল্লেখ কৰে। ৰাষ্ট্ৰ প্ৰথম অৱধাৰণা আৰু মেক ইন ইণ্ডিয়াক অধিক গৌৰৱান্বিত কৰাৰ বাবে সকলোকে একেলগে কাম কৰাৰ প্ৰতি আহ্বান জনাই ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৰে কয়, যে গণৰাজ্য দিৱসে দেশপ্ৰেমৰ ভাবনাক অধিক সুদৃঢ় কৰাৰ সুযোগ প্ৰদান কৰে। তেওঁ কয়, যে  ভাৰতৰ সংবিধান হৈছে বিশ্বৰ সৰ্ববৃহৎ গণতন্ত্ৰৰ ইতিহাসৰ বুনিয়াদী দস্তাবেজ। ভাৰতীয়

সংবিধানৰ প্ৰনেতাসকলে সাংবিধানিক ব্যৱস্থাৰ জৰিয়তে জাতীয়তাবোধৰ ধাৰণা আৰু দেশৰ ঐক্যৰ বাবে শক্তিশালী ভেটি নিৰ্মাণ কৰি গৈছে বুলি ৰাষ্ট্ৰপতিগৰাকীয়ে উল্লেখ কৰে।

০০০০০

সমগ্ৰ দেশে আজি ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে নতুন দিল্লীৰ কৰ্তব্যপথৰ পৰা গণৰাজ্য দিৱস উদযাপনত ৰাষ্ট্ৰক নেতৃত্ব দিব। গণৰাজ্য দিৱসৰ পেৰেড চাৰে ১০ বজাত আৰম্ভ হ'ব আৰু ৯০ মিনিট ধৰি চলিব। গণৰাজ্য দিৱসৰ পেৰেডত ভাৰতৰ বৰ্ণাঢ্য সংস্কৃতি আৰু সামৰিক শক্তিৰ অনবদ্য প্ৰদৰ্শন দেখিবলৈ পোৱা যাব। এই বছৰৰ গণৰাজ্য দিৱসৰ বিষয়বস্তু হৈছে- **স্বতন্ত্ৰতাৰ মন্ত্ৰ ঃ বন্দে মাতৰম আৰু সমৃদ্ধিৰ মন্ত্ৰ ঃ আত্মনিৰ্ভৰ ভাৰত**। আজি পুৱাৰভাগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত পুষ্পমাল্য অৰ্পণ কৰিব। ইয়াৰ পাছত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু কৰ্তব্য পথলৈ আহিব আৰু তেওঁ সশস্ত্ৰ বাহিনী, অৰ্ধসামৰিক বাহিনী, সহায়ক অসামৰিক বাহিনী, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কেডেট সকলৰ কুচকাৱাজৰ অভিবাদন গ্ৰহণ কৰিব। এইবাৰৰ গণৰাজ্য দিৱসৰ কাৰ্য্যসূচীত ইউৰোপীয় আয়োগৰ অধ্যক্ষ উৰ্ছুলা ভনডেৰ লেয়েন আৰু ইউৰোপীয় পৰিষদৰ সভাপতি এণ্টনিঅ' কোস্তা মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। পেৰেডত বিভিন্ন ৰাজ্য, কেন্দ্ৰীয় শাসিত অঞ্চল, কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰালয় তথা বিভাগসমূহৰ ৩০ টা প্ৰতীকপট প্ৰদৰ্শন কৰা হ'ব। এই প্ৰতীকপটসমূহত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমৰ ১৫০ বছৰ পূৰ্তি আৰু বিভিন্ন খণ্ডত আত্মনিৰ্ভৰশীলতাৰে দেশৰ দ্ৰুত প্ৰগতিৰ বিভিন্ন দিশ প্ৰতিফলিত হ'ব। কাৰ্যসূচীত দুহেজাৰ ৫০০ শিল্পীয়ে সাংস্কৃতিক অনুষ্ঠান পৰিৱেশন কৰিব। গণৰাজ্য দিৱসৰ পেৰেডৰ সাক্ষী হোৱাৰ বাবে সমাজৰ বিভিন্ন খণ্ডৰ ১০ হাজাৰ বিশেষ অতিথিক আমন্ত্ৰণ জনোৱা হৈছে। এইবাৰৰ পেৰেডত অসমৰ ধুবুৰীৰ আশাৰিকান্দিৰ বিখ্যাত পোৰামাটিৰ শিল্প প্ৰতীকপট হিচাপে প্ৰদৰ্শন কৰা হ'ব।

০০০০০

কেন্দ্ৰীয় চৰকাৰে ১৩১ গৰাকী ব্যক্তিলৈ ২০২৬ বৰ্ষৰ পদ্ম বঁটা আগবঢ়াইছে। ইয়াৰ ভিতৰত দেশৰ ৫ গৰাকী কৃতিমান ব্যক্তিলৈ পদ্ম বিভূষণ, ১৩ গৰাকীলৈ পদ্ম ভূষণ আৰু ১১৩ গৰাকীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। এইবাৰৰ অসামৰিক বঁটা লাভ কৰা সকলৰ ভিতৰত ১৯ গৰাকী মহিলা আছে আৰু ১৬ গৰাকী ব্যক্তিক মৰণোত্তৰভাৱে এই সন্মান প্ৰদান কৰা হৈছে। কলাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা বলিউদৰ প্ৰয়াত অভিনেতা ধৰ্মেন্দ্ৰ সিং দেউলক মৰণোত্তৰভাৱে পদ্ম বিভূষণ আগবঢ়োৱা হৈছে। ৰাজহুৱা পৰিক্ৰমাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে কেৰালাৰ কে টি থমাছ, কলাৰ ক্ষেত্ৰত আগবঢ়োৱা অৱদানৰ বাবে উত্তৰ প্ৰদেশৰ এন ৰাজম, সাহিত্যৰ ক্ষেত্ৰত উল্লেখযোগ্য অৱদান আগবঢ়োৱা কেৰালাৰ পি নাৰায়ণন লৈ পদ্ম বিভূষণ বঁটা আগবঢ়োৱা হৈছে। ৰাজহুৱা পৰিক্ৰমাৰ ক্ষেত্ৰত অৱদান আগবঢ়োৱাৰ বাবে কেৰালাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভি এছ অচ্যুতানন্দনলৈ মৰণোত্তৰভাৱে দেশৰ দ্বিতীয় সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বিভূষণ আগবঢ়োৱা হৈছে।

গায়িকা অলকা য়াগনিক, উত্তৰাখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ভগত সিং কোচিয়াৰি, তামিলনাডুৰ কাল্লিপট্টি ৰামাস্বামী পালানিস্বামী, কেৰালাৰ অভিনেতা মাম্মুটিলৈ পদ্ম ভূষণ সন্মান আগবঢ়োৱা হৈছে। বিশিষ্ট ৰাজনীতিবিদ তথা ঝাৰখণ্ডৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিবু চোৰেনক মৰণোত্তৰভাৱে পদ্ম ভূষণ আগবঢ়োৱা হৈছে। একেদৰে কলা, সমাজসেৱা, ৰাজহুৱা পৰিক্ৰমা, চিকিৎসা, কৃষি, সাহিত্য, শিক্ষা আৰু ক্ৰীড়াৰ ক্ষেত্ৰত উল্লেখনীয় সেৱা আগবঢ়োৱা ১১৩ গৰাকী ব্যক্তিলৈ চতুৰ্থ সৰ্বোচ্চ অসামৰিক সন্মান পদ্মশ্ৰী বঁটা আগবঢ়োৱা হৈছে। তাৰকা ক্ৰিকেট খেলুৱৈ ৰোহিত শৰ্মা,

প্ৰবীণ কুমাৰ, ভাৰতীয় মহিলা ক্ৰিকেট দলৰ অধিনায়ক হৰমনপ্ৰীত কৌৰ, বলদেৱ সিং, কে পাজানিভেল আৰু সবিতা পুনিয়ালৈ ক্ৰীড়া ক্ষেত্ৰত আগবঢ়োৱাৰ বাবে পদ্মশ্ৰী বঁটা আগবঢ়োৱা হৈছে।

অসমৰ ৫ গৰাকী বিশিষ্ট ব্যক্তিয়ে চলিত বছৰৰ পদ্ম সন্মান লাভ কৰিছে। সদ্য প্ৰয়াত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী কবীন্দ্ৰ পুৰকায়স্থলৈ মৰণোত্তৰভাৱে পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। কলা শিতানত বিশিষ্ট সত্ৰীয়া শিল্পী হৰিচৰণ শইকীয়া, যশস্বী কলা নিৰ্দেশক নুৰুদ্দিন আহমেদ আৰু কাৰ্বি লোক-সংগীতৰ বিশিষ্ট শিল্পী পখিলা লেকথেপীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে। ইয়াৰ লগতে কৃষি ক্ষেত্ৰত এৰী আৰু ৰেচম বিশেষজ্ঞ যোগেশ দেউৰীলৈ পদ্মশ্ৰী সন্মান আগবঢ়োৱা হৈছে।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৩০ জন ব্যক্তিলৈ ২০২৫ বৰ্ষৰ জীৱন ৰক্ষা পদক শৃংখলাৰ বঁটাসমূহত অনুমোদন জনাইছে। ইয়াৰে ছগৰাকীলৈ সৰ্বোত্তম জীৱন ৰক্ষা পদক, ৬ গৰাকীলৈ উত্তম জীৱন ৰক্ষা পদক আৰু ১৮ গৰাকী ব্যক্তিলৈ জীৱন ৰক্ষা পদক বঁটা আগবঢ়োৱা হ'ব। মৰণোত্তৰভাৱে ৬গৰাকী ব্যক্তিক এই বঁটাৰে সন্মানিত কৰা হ'ব। কোনো ব্যক্তিৰ জীৱন ৰক্ষা কাৰ্যত আগবঢ়োৱা উল্লেখনীয় অৱদানৰ বাবে জীৱন ৰক্ষা পদক শৃংখলা বঁটাসমূহ আগবঢ়োৱা হয়।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কালি সশস্ত্ৰ সেনাবাহিনীৰ ৭০ জন জোৱানলৈ সাহসিকতাৰ বঁটা ঘোষণা কৰে। আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰলৈ যোৱা প্ৰথমগৰাকী ভাৰতীয় হিচাপে ইতিহাস ৰচনা কৰা গ্ৰুপ কেপ্তেইন শুভাংশু শুক্লাক দেশৰ সৰ্বোচ্চ শান্তিকালীন সাহসিকতাৰ বঁটা অশোকচক্ৰৰে সন্মানিত কৰা হ'ব। মেজৰ অৰ্শদ্বীপ সিং, নাইব ছুবেদাৰ দলেশ্বৰ চুববা সিং আৰু গ্ৰুপ কেপ্তেইন প্ৰশান্ত বালাকৃষ্ণ নায়াৰলৈ কীৰ্তিচক্ৰ সন্মান আগবঢ়োৱা হৈছে। ইয়াৰ লগতে মৰণোত্তৰভাৱে এজনকে ধৰি ১৩ জনলৈ সৌৰ্যচক্ৰ বঁটা, ৪৪ জনলৈ সাহসিকতাৰ সেনা পদক আগবঢ়োৱা হৈছে। তদুপৰি মৰণোত্তৰভাৱে পাঁচ জনকে ধৰি সশস্ত্ৰ সেনা বাহিনীৰ ছজনলৈ নৌ সেনা পদক আৰু দুজনলৈ বায়ু সেনা পদক আগবঢ়োৱা হৈছে।

০০০০০

গুৱাহাটীৰ বৰ্ষাপাৰাৰ এ চি এ ষ্টেডিয়ামত ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ টি-২০ ক্ৰিকেট শৃংখলাৰ যোৱা নিশা অনুষ্ঠিত তৃতীয়খন খেলত ভাৰতে ৮ উইকেটত জয়লাভ কৰে। ভাৰতে ১৫৪ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি দুটা উইকেটৰ বিনিময়ত মাত্ৰ ১০ অভাৰতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। অভিষেক শৰ্মাই ২০টা বলত ৬৮ আৰু অধিনায়ক সুৰ্যকুমাৰ যাদৱে ২৬ টা বলত ৫৭ ৰান কৰে। অভিষেক শৰ্মাই টি-২০ ক্ৰিকেটত অৰ্ধশতক কৰা দ্বিতীয় দ্ৰুততম খেলুৱৈ হিচাপে অভিলেখ গঢ়ে। ইয়াৰ পূৰ্বে নিউজিলেণ্ড প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৫৩ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ গ্লেন ফিলিপছে সৰ্বাধিক ৪৮ ৰান কৰে। যশপ্ৰীত বুমৰাই তিনিটা আৰু হাৰ্ডিক পাণ্ডিয়া আৰু ৰবি বিষ্ণয়ে দুটাকৈ উইকেট দখল কৰে। যশপ্ৰীত বুমৰাক প্লেয়াৰ অব দ্যা মেচ ঘোষণা কৰা হয়। পাঁচখনীয়া শৃংখলাটোত ভাৰতে সম্প্ৰতি ৩-০ ৰ অগ্ৰগতি লাভ কৰিছে। প্ৰতিযোগিতাৰ চতুৰ্থখন খেল অহা বুধবাৰে বিশাখাপট্টনমত অনুষ্ঠিত হ'ব।

০০০০০

সমাপ্ত